__/__/____

*** ন্যায়পৰায়নতা মানে কি? প্লেটোৰ দৰ্শনত ন্যায়পৰায়নতা কেনেদৰে প্ৰতিফলিত হৈছে আলোচনা কৰা?**

Ans:- প্লেটোৰ গ্ৰন্থ সমূহৰ ভিতৰত এমন বিখ্যাত গ্ৰন্থ হৈছে "Republic" এই গ্ৰন্থখনত তেওঁ জ্ঞানৰ সম্পৰ্কে ব্যাখ্যাৰ লগতে ন্যায়পৰায়নতাৰ এক অতি মনোৰম ব্যাখ্যা আগবঢ়াইছে। এই গ্ৰন্থখনৰ মূল উদ্দেশ্য আছিল ন্যায়পৰায়নতাক সংজ্ঞায়িত কৰা আৰু ৰাষ্ট্ৰ আৰু ব্যক্তিৰ জীৱনত কেনেদৰে ন্যায়পৰায়নতা প্ৰতিষ্ঠা কৰা যায় তাক আলোচনা কৰা।

প্লেটোৱে ন্যায়পৰনতা সংজ্ঞায়িত কৰিবলৈ গৈ এইটো উপলব্ধি কৰিছিল যে, প্ৰথমতে ৰাষ্ট্ৰৰ ক্ষেত্ৰত ন্যায়পৰায়নাৰ অৰ্থ নিৰূপন কৰিব লাগিব আৰু তাৰ পাছতহে ব্যক্তিৰ ক্ষেত্ৰত ন্যায়পৰনতাৰ অৰ্থ নিৰ্ধাৰন কৰাটো যুক্তিযুক্ত হ'ব। ব্যক্তি আৰু ৰাষ্ট্ৰৰ ক্ষেত্ৰত ন্যায়পৰায়নতাৰ নীতি অভিন্ন। ব্যক্তি আৰু ৰাষ্ট্ৰ উভয়ে ন্যায়পৰায়নতাৰ চূড়ান্ত নীতি মানি চলিবলৈ বাধ্য। ব্যক্তিকলৈ ৰাষ্ট্ৰ গঠিত আৰু ব্যক্তিয়ে যাতে কল্যান লাভ কৰিব পাৰে তাৰ বাবেই উপযোগী পৰিবেশ সৃষ্টি কৰা ৰাষ্ট্ৰৰ কৰ্তব্য। প্লেটোৰ দৰ্শনত 'ন্যায়পৰায়নতা' এটি সদগুন। তেওঁ চাৰিটা মূখ্য সদগুন স্বীকাৰ কৰিছে - জ্ঞান, সাহস, মিতাচাৰ আৰু ন্যায়পৰায়নতা। গুন হিচাপে দেখা যায়, ৰাষ্ট্ৰ বা ব্যক্তি গঠিত হয় জ্ঞান, সাহস আৰু সংযমৰ দ্বাৰা। ইয়াৰ যিকোনো এটাৰ আতিশয্য ৰাষ্ট্ৰ বা ব্যক্তিৰ পক্ষে ক্ষতিকৰ। ন্যায়পৰায়নতা হৈছে ওপৰোক্ত তিনিওটা সদগুনৰ সমান পৰিচৰ্যা বা সংগতি। উক্ত তিনিটা সদগুন অনুসাৰে প্ৰত্যেক ব্যক্তি নিজ নিজ কৰ্তব্য আৰু দায়িত্ব যথাযথভাৱে পালন কৰিলে ন্যায়পৰায়নতাক বুজোৱা হয়। অৰ্থাৎ ব্যক্তিৰ নিজ নিজ কৰ্তব্য পালন আৰু অন্যৰ কৰ্তব্যত হস্তক্ষেপ নকৰাই হৈছে ন্যায়পৰায়নতা।

# ৰাষ্ট্ৰৰ ন্যায়পৰায়নতা :- [Justice in State]

প্লেটোৰমতে, ৰাষ্ট্ৰ হ'ল 'বৃহৎ আখৰত লিখিত মানুহ' যিদৰে ন্যায়পৰায়নতা ব্যক্তি আত্মাৰ সাধাৰন ধৰ্ম, অনুৰূপভাৱে ন্যায়পৰায়নতা ৰাষ্ট্ৰৰো সাধাৰন ধৰ্ম। ন্যায়পৰায়ন মানুহ আৰু ন্যায়পৰায়ন ৰাষ্ট্ৰৰ মাজত আছে গঠনগত, স্বাভাৱিক আৰু মৌলিক সম্বন্ধ। যিবিলাক উপাদানেদি মানৱাত্মা গঠিত, ঠিক তেনেকুৱা উপাদানেৰে ৰাষ্ট্ৰও গঠিত। মানৱাত্মাৰ তিনিটা উপাদান আছে- বুদ্ধি, তেজ আৰু দৈহিক ক্ষুধা। অনুৰূপভাৱে, ৰাষ্ট্ৰতো এই ত্ৰিবিধ উপাদান লক্ষ্য কৰা যায় তিনি শ্ৰেনীৰ মানুহৰ মাজত। প্লেটোৱে আদৰ্শ ৰাষ্ট্ৰ বা নগৰ ৰাষ্ট্ৰৰ আৱশ্যকতে নাগৰিকসকলক তিনিটা শ্ৰেনীত বিভক্ত কৰাৰ সিদ্ধান্ত গ্ৰহন কৰে। এই তিনিটা শ্ৰেনী হ'ল - সাধাৰন মানুহ বা উৎপাদক শ্ৰেনী, সৈনিক বা সহায়ক শ্ৰেনী আৰু শাসক শ্ৰেনী। মানৱাত্মাৰ উপাদানৰ ভিত্তিত প্লেটোৱে ৰাষ্ট্ৰৰ তিনি শ্ৰেনীৰ নাগৰিকৰ তিনিপ্ৰকাৰৰ কৰ্মৰ নিৰ্দেশ কৰিছে। উৎপাদক শ্ৰেনীৰ মানুহ নিজৰ লগতে ৰাষ্ট্ৰৰ সকলো শ্ৰেনীৰ মানুহৰ জীৱন ধাৰনৰ কাৰণে প্ৰয়োজনীয় বস্তু, যেনে- খাদ্য, বাসস্থান, পোছাক ইত্যাদি বস্তু উৎপাদন আৰু যোগান ধৰে। উৎপাদক শ্ৰেনীত থাকিব খেতিয়ক, ব্যৱসায়ী, শ্ৰমিক, তাঁতী, মিস্ত্ৰী, পশুপালক ইত্যাদি শ্ৰেনীৰ মানুহ। যোদ্ধা শ্ৰেনীৰ কাম হ'ল ৰাষ্ট্ৰক বৈদেশিক আক্ৰমন আৰু আভ্যন্তৰীন বিদ্ৰোহৰ পৰা ৰক্ষা কৰা আৰু অভিভাৱক শ্ৰেনীৰ কাম হ'ল ৰাষ্ট্ৰক সুশাসন প্ৰদান কৰা। গতিকে দেখা যায়, ৰাষ্ট্ৰ গঠিত হৈছে উৎপাদক, সহায়ক আৰু শাসক শ্ৰেনীৰ মাধ্যমত। গুন হিচাপে কোৱা যায়, ৰাষ্ট্ৰ গঠিত হৈছে সংযম, সাহস আৰু জ্ঞানৰ দ্বাৰা। গুনৰ প্ৰাধান্য হিচাপে উৎপাদনকাৰী কৃষক, কাৰিকৰ, বণিক, ব্যৱসায়ী, শ্ৰমিক আদি সকলোৰে গুন সংযম, সহায়ক বা ৰাষ্ট্ৰৰ ৰক্ষক সকলৰ প্ৰধান গুন সাহস আৰু শাসক সকলৰ প্ৰধানগুন জ্ঞান।

P.T.O

# ব্যক্তিৰ ন্যায়পৰায়ণতা [Justice in individual]

ৰাষ্ট্ৰৰ ন্যায়পৰায়ণতা নিৰ্ধাৰিত হোৱাৰ পিছত প্লেটোৱে ব্যক্তিৰ ন্যায়পৰায়ণতা নিৰ্ধাৰণ কৰিছে। ব্যক্তিৰ ন্যায়পৰায়ণতা নিৰ্ধাৰণৰ ক্ষেত্ৰত প্লেটোৱে অৱশ্যে সদগুণ কেইটাৰ উল্লেখ কৰিছে। আগতে উল্লেখ কৰা হৈছে যে, সদগুণ হ'ল — সংযম, সাহস আৰু জ্ঞান আৰু ন্যায়পৰায়ণতা হ'ল এই তিনি গুণৰ পাৰস্পৰিক সম্পৰ্কৰ সংগতি। আত্মাৰ বুদ্ধি অংশৰ গুণ হ'ল জ্ঞান, সাহস, আত্মাৰ তেজাংশ, মিতাচাৰ হ'ল জ্ঞানৰ নিয়ন্ত্ৰিত আত্মাৰ তেজাংশ আৰু প্ৰবৃত্তি বা ক্ষুধাংশৰ মিলনৰ ফলত উৎপন্ন সদগুণ। প্লেটো ৰিপাব্লিক গ্ৰন্থত এই সদগুণবোৰ ব্যাখ্যা কৰি কৈছে যে, আত্মাৰ ভিতৰত এফালে এনে এক শক্তি আছে যিয়ে তাক এইবোৰৰ পৰা বিৰত ৰাখিছে। যি শক্তিয়ে তেওঁক কামনা - বাসনাৰ পৰা বিৰত ৰাখিছে, সি আত্মাৰ ক্ষুধাৰ্ত শক্তিতকৈ অধিকতৰ শক্তিশালী। গতিকে আত্মাৰ দুটা পৰস্পৰ বিৰোধী উপাদান আছে- জ্ঞান আৰু ক্ষুধা প্ৰবৃত্তি। কিন্তু এই দুটা দিশৰ উপৰিও আত্মাৰ তৃতীয় এক উপাদান আছে যাক সাহস বোলা হয়। প্লেটোৰ মতে, বিবেক হ'ল জ্ঞান যিয়ে আত্মাক শাসন কৰে আৰু আত্মাক ৰক্ষা কৰাৰ দায়িত্ব হ'ল সাহস। সুশিক্ষিত প্ৰজ্ঞা আৰু সাহসে আমাৰ প্ৰবৃত্তিক শাসন কৰে। আমাৰ আত্মাৰ অধিক পৰিমানেই প্ৰবৃত্তি। প্ৰবৃত্তি বাসনাৰ শেষ নাই। জ্ঞান আৰু সাহসৰ দায়িত্ব হ'ব এই প্ৰবৃত্তিৰ ওপৰত সতৰ্ক দৃষ্টি ৰখা যাতে সি কামনা - বাসনাৰ দ্বাৰা পৰিচালিত হৈ ব্যক্তিৰ সমগ্ৰ জীৱন গ্ৰাস কৰিব নোৱাৰে। গতিকে দেখা যায়, ৰাষ্ট্ৰৰ দৰে ব্যক্তি আত্মাৰো উপাদান তিনিটা - জ্ঞান, সাহস আৰু ক্ষুধা। ৰাষ্ট্ৰৰ প্ৰজ্ঞা য'ত নিহিত, ব্যক্তিৰ প্ৰজ্ঞাও তাতে নিহিত। ৰাষ্ট্ৰৰ ক্ষেত্ৰত যি গুণক আমি সাহস বুলি অভিহিত কৰোঁ, সেই গুণকে ব্যক্তিৰ ক্ষেত্ৰতো সাহস বুলি কওঁ। অন্যান্য গুণৰ ক্ষেত্ৰতো ৰাষ্ট্ৰ ব্যক্তিৰ সম্পৰ্ক অনুৰূপ। ৰাষ্ট্ৰক আমি যিদৰে ন্যায়পৰায়ণ বুলি অভিহিত কৰোঁ, ব্যক্তিকো আমি সেইদৰে ন্যায়পৰায়ণ বুলিম। প্লেটোৰ যি ন্যায়পৰায়ণতাৰ কথা কৈছে, সেই ন্যায়পৰায়ণতা হ'ল মানুহৰ অন্তৰৰ বিষয় - যথাৰ্থ আত্মাৰ বিষয়। এই যথাৰ্থ আত্মাৰ চিন্তাই হ'ল মানুহৰ প্ৰকৃত চিন্তা। কাৰণ ন্যায়বান ব্যক্তি তেওঁৰ অন্তৰৰ বিভিন্ন উপাদানৰ এটাক যেনেদৰে আনটোৰ দায়িত্বত হস্তক্ষেপ কৰিবলৈ নিদিয়ে, তেনেদৰে এটা কৰ্মক আনটোৰ কৰ্ম বুলি গণ্য নকৰে।

# ন্যায়পৰায়ণতাৰ সমালোচনা [Criticism of Plato's Concept of Justice]

১. প্লেটোৱে ৰাষ্ট্ৰৰ ক্ৰিয়া-কৰ্মৰ ক্ষেত্ৰত যি ব্যক্তি গুণানুসাৰে যি কৰ্মৰ বাবে দক্ষ তাকে গুৰুত্ব দিছে। কিন্তু ৰাষ্ট্ৰৰ ক্ৰিয়া - কৰ্মৰ ক্ষেত্ৰত কোন ব্যক্তি কি কামত নিপুণ তাক জনা সহজ নহয়। তদুপৰি, শাসক যে সকলো সময়তে নিষ্ঠাৰে কাম কৰিব তাক নিশ্চিতভাৱে কোৱা নাযায়।

২. এৰিষ্টটলৰ প্লেটোৰ ন্যায়পৰায়ণতাক সমালোচনা কৰি কৈছে যে, প্লেটোৰ ন্যায়পৰায়ণতাৰ তত্ত্বৰ ফলত ৰাষ্ট্ৰৰ ক্ষমতা অধিক বৃদ্ধি পাইছে আৰু সম্পূৰ্ণৰূপে ৰাষ্ট্ৰৰ অধীনত আবদ্ধ কৰা হৈছে।

৩. প্লেটোৰ ন্যায়পৰায়ণতাত কেৱল মাত্ৰ নাগৰিক সকলৰ কৰ্তব্যৰ ওপৰত জোৰ দিয়া হৈছে, কিন্তু তেওঁলোকৰ অধিকাৰ প্ৰদানত ব্যৰ্থ হৈছে। আধুনিক যুগত ন্যায়-নীতি বুলিলে আমি সকলো মানুহৰ পূৰ্ণ মৰ্যদা আৰু অধিকাৰৰ স্বীকৃতি বুলি জানোঁ। কিন্তু প্লেটোৰ ন্যায়পৰায়ণতাত তাৰ কোনো প্ৰতিফলন লক্ষ্য কৰা নাযায়।

৪. প্লেটো প্ৰকৃততে শ্ৰেণীযুক্ত সমাজৰ সমৰ্থক, শ্ৰেণীহীন সমাজৰ নহয়। প্লেটোৱে মানুহক তিনিটা শ্ৰেণীত স্থায়ীভাৱে বিভক্ত কৰাৰ ফলত সমাজৰ সাম্য আৰু স্বাধীনতাত আঘাত হানিছে। সাম্য আৰু স্বাধীনতা বিহীন সমাজত ন্যায়ধৰ্ম প্ৰতিষ্ঠিত হ'ব নোৱাৰে।